**Pre-Final Examination – 2023**
**Department of Assamese, B.N. College, Dhubri**
**M.A 2nd Semester (Assamese)**
**Paper: ASM-2016 (Assamese Poetry: 1889-2015)**

**Time- 3 Hours** **Full Marks – 80**

**১/ তলৰ যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা:-** **৫x১২=৬০**

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ ‘মালতী’ কবিতাটোত ইংৰাজী কবি Wordsworth (ৱৰ্ডছৱৰ্থ)ৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা।

(খ) ৰঘুনাথ চৌধাৰীৰ ‘গিৰিমল্লিকা’ কবিতাত ৰোমান্টিকতাৰ ভাৱ কিদৰে প্ৰতিফলিত হৈছে- এক বৈশিষ্ট্যমূলক আলোচনা দাঙি ধৰা।

(গ) হেম বৰুৱাৰ ‘পোহৰতকৈ এন্ধাৰ ভাল’ কবিতাটিত টি.এছ এলিয়টৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা।

(ঘ) কবি নীলমণি ফুকনৰ কবিতাত প্ৰতীক আৰু চিত্ৰকল্পৰ ব্যৱহাৰ ‘ওলমি থকা গোলাপী জামুৰ লগ্ন’ কবিতাটোত কেনেদৰে ফুটি উঠিছে আলোচনা কৰা।

(ঙ) আনিছ উজ জামানৰ ‘আই তোৰ আন্ধাৰৰ হাতখন ভাঙি দিলো’ নামৰ কবিতাৰ মাজেৰে প্ৰতিফলিত হোৱা আধুনিকতাৰ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰা।

(চ) চন্দ্ৰকুমাৰ আগৰৱালাৰ ব্যক্তি জীৱন ‘অজেয়’ কবিতাটোত কিদৰে সম্পৃক্ত হৈ আছে ফঁহিয়াই দেখুওৱা।

(ছ) অনুভৱ তুলসীৰ ‘জলমগ্ন দৃশ্যাৱলী’ (চিহ্নযাত্ৰাৰ কেইটিমান জলমগ্ন দৃশ্য) নামৰ কবিতাটোৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

**২/ চমুটোকা লিখা:- (যিকোনো চাৰিটা)** **৫x8=২০**

(ক) চিত্ৰকল্প

(খ) পৰোক্ষ উল্লেখ

(গ) আধুনিক কবিতাত প্ৰতীকৰ প্ৰয়োগ

(ঘ) আধুনিক অসমীয়া কবিতাত মৃত্যু চেতনা

(ঙ) সাম্প্ৰতিক অসমীয়া কবিতাৰ বিষয় বৈচিত্ৰ্য

******************

**Pre-Final Examination – 2023**
**Department of Assamese, B.N. College, Dhubri**
**M.A 2nd Semester (Assamese)**
**Paper: ASM-2026 (Assamese Prose: 1846-2015)**

**Time- 3 Hours** **Full Marks – 80**

**১/ তলৰ যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা:-** **৫x১২=৬০**

(ক) ‘বাণীকান্ত কাকতিৰ সাহিত্য আলোচনামূলক প্ৰবন্ধৰাজিত যুক্তিনিষ্ঠতাৰ লগতে সাহিত্যিক মনোহাৰিত্বৰ এক বৈশিষ্ট্যপূৰ্ণ প্ৰকাশ ঘটিছে’- তোমাৰ পাঠৰ আধাৰত উক্ত কথাষাৰৰ যুক্তিনিষ্ঠতা প্ৰতিপন্ন কৰি এটি নিবন্ধ যুগুত কৰা।

(খ) ‘শংকৰদেৱ আৰু চৈতন্যদেৱ’ শীৰ্ষক প্ৰবন্ধটিৰ আলমত কালিৰাম মেধিৰ গদ্যৰীতিৰ বিশিষ্টতা নিৰূপণ কৰা।

(গ) ‘‘উচ্চাৰণভিত্তিক বৰ্ণবিন্যাস ৰীতিয়ে অৰুণোদইৰ ভাষাৰ পৰা আনন্দৰাম ঢেকিয়াল ফুকনৰ ভাষা পৃথক কৰি তুলিছে’’- উক্ত মন্তব্যৰ আধাৰত অৰুণোদইৰ ভাষাৰীতিৰ সৈতে আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰীতিৰ এটি আলোচনা দাঙি ধৰা।

(ঘ) অতুলচন্দ্ৰ বৰুৱাৰ ‘সমাজ, কৃষি আৰু গাঁৱৰ ইতিবৃত্ত’ শীৰ্ষক ৰচনাখনৰ গদ্যৰ ব্যাখ্যাধৰ্মিতা সম্পৰ্কে এটা প্ৰবন্ধ যুগুত কৰা।

(ঙ) ‘বিশ্ব সাহিত্যৰ পটভুমিত অসমীয়া সাহিত্য’ শীৰ্ষক প্ৰবন্ধটিৰ আলমত কৃষ্ণকান্ত সন্দিকৈৰ গদ্যৰীতিৰ বিশিষ্টতা নিৰূপন কৰা।

(চ) ‘বৰ্ণনাত্মক আৰু ব্যাখ্যাত্মক গুণে ৰত্নেশ্বৰ মহন্তৰ গদ্যক পাঠকৰ পক্ষে সহজ বোধগম্য কৰি তুলিছে’- তোমাৰ পাঠৰ আধাৰত যথাৰ্থতা প্ৰতিপন্ন কৰা।

**২/ চমুটোকা লিখা:- যিকোনো চাৰিটা)** **৫x8=২০**

(ক) নিধিলিবাই ফাৰৱেলৰ গদ্যৰীতি ।

(খ) ত্ৰৈলোক্যনাথ গোস্বামীৰ গদ্যৰীতি।

(গ) হোমেন বৰগোহাঞিৰ ৰচনাৰ ভাষিক ওজস্বিতা।

(ঘ) হীৰেণ গোহাঁইৰ গদ্যশৈলী।

(ঙ) অৰুণোদইৰ গদ্যৰ বিশেষত্ব।

******************

**Pre-Final Examination – 2023**

**Department of Assamese, B.N. College, Dhubri**

**M.A 2nd Semester (Assamese)**

**Paper: ASM-2036 (Assamese Drama and Performance: 1857-2015)**

**Time- 3 Hours** **Full Marks – 80**

**১/ তলৰ যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা:-** **৫x১২=৬০**

(ক) অসমীয়া অনাতাঁৰ নাটকৰ ইতিহাস সম্পৰ্কে আলোচনা কৰি ‘মৰা হাতী’ নাটকৰ এটি আলোচনা দাঙি ধৰা।

(খ)আধুনিক অসমীয়া নাটকৰ গতি-প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা।

(গ) কৰুণা ডেকাৰ ‘লুইত কন্যা’ নাটকত লোকনাট্য সমলৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰা।

(ঘ) ‘শ্ৰীনিবাৰণ ভট্টাচাৰ্য’ নাটকখনক এবছাৰ্ট নাটক বুলিব পাৰিনে আলোচনা কৰা।

(ঙ) অসমত প্ৰচেনিয়াম মঞ্চৰ বিকাশ সম্পৰ্কে আলোচনা কৰি প্ৰচেনিয়াম মঞ্চৰ এটি বিৱৰণ দিয়া।

(চ) ‘গাঁওবুঢ়া’ নাটকৰ চৰিত্ৰ সমূহৰ বিষয়ে এটি বিশ্লেষণাত্মক আলোচনা যুগুত কৰা।

(ছ) ‘কাৰেঙৰ লিগিৰী’ নাটকৰ সংঘাত সম্পৰ্কে আলোচনা কৰা।

(জ) ‘চক্ৰধবজ সিংহ’ নাটকত ছেক্সপীয়েৰৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

(ঝ) ‘বঙাল-বঙালনী’ নাটকত প্ৰতিফলিত সমাজ জীৱন সম্পৰ্কে আলোচনা কৰা।

(ঞ) ‘শৰাগুৰি চাপৰি’ নাটকৰ বিষয়বস্তু আৰু আংগিক সম্পৰ্কে আলোচনা কৰা।

**২/ চমুটোকা লিখা:- (যিকোনো চাৰিটা)** **৫x8=২০**

এব্‌ছাৰ্ড নাটক, গাঁওবুঢ়া নাটকত হাস্যৰস, ভ্ৰাম্যমান থিয়েটাৰ,

গজপুৰীয়া, অসমীয়া নাটকত ব্ৰেখটীয় প্ৰভাৱ, অপেশাদাৰী নাটক,

লুইত কন্যা নাটকৰ পদ্মাৰ চৰিত্ৰ, কাৰেঙৰ লিগিৰী নাটকৰ মঞ্চৰ নিৰ্দেশনা

*******************

**Pre-Final Examination – 2023**
**Department of Assamese, B.N. College, Dhubri**
**M.A 2nd Semester (Assamese)**
**Paper: ASM-2046 (Indian Criticism)**

**Time- 3 Hours** **Full Marks – 80**

**১/ তলৰ যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা:-** **৫x১২=৬০**

(ক) ৰসনিস্পত্তি সম্বন্ধে ভট্টলোল্লটৰ আৰোপবাদ বা উৎপত্তিবাদৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা।

(খ) আচাৰ্য দণ্ডীৰ মতে কাব্যৰ দহটা গুণৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ।

(গ) আচাৰ্য ভৰতৰ ৰসৰ সূত্ৰটো আলোচনা কৰি এটি নিবন্ধ যুগুত কৰা।

(ঘ) কুন্তকে আগবঢ়োৱাঁ বক্ৰোক্তিৰ লক্ষণ উদাহৰণেৰে সৈতে উপস্থাপন কৰি কাব্যতত্ত্বৰ ক্ষেত্ৰখনলৈ বক্ৰোক্তিকাৰ কুন্তকৰ অৱদান সম্পৰ্কে এটি আলোচনা আগৱঢ়োৱাঁ।

(ঙ) অলংকাৰ শাস্ত্ৰৰ অন্তৰ্গত ধ্বনিপ্ৰস্থানৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

(চ) ভাৰতীয় সাহিত্যত পাশ্চাত্য দেশীবাদৰ ধাৰণা কিদৰে গ্ৰহণ কৰিছে বিশ্লেষণ কৰা।

(ছ) ভক্তিবাদী ধাৰণাত বিভিন্ন ভক্তিৰ কথা কোৱা হৈছে সেইবোৰ কি কি ? অসমীয়া বৈষ্ণৱ কবিসকলে ভক্তিক কেনেধৰণে বিচাৰ কৰিছে আলোচনা কৰা।

**২/ চমুটোকা লিখা:- (যিকোনো চাৰিটা)** **৫x8=২০**

(ক) বিভাৱ (খ) ব্যভিচাৰীভাৱ

(গ) অভিধাশক্তি (ঘ) আনন্দবৰ্ধন

(ঙ) ভৰতমুনি (চ) বস্তুধ্বনি

******************

**Pre-Final Examination – 2023**
**Department of Assamese, B.N. College, Dhubri**
**M.A 2nd Semester (Assamese)**
**Paper: ASM-2054 (Editing)**

**Time- 2 Hours** **Full Marks – 50**

**৭ নম্বৰ প্ৰশ্ন আৰু তলৰ যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা:-** **১০x৪=৪০**

(১) গ্ৰন্থ সম্পাদনাৰ উদ্দ্যেশ্য কি ? উপযুক্ত উদাহৰণসহ আলোচনা কৰা।

(২) গ্ৰন্থ সম্পাদনাৰ মূল বৈশিষ্ট্যবোৰ কি ? চমুকৈ বৰ্ণনা কৰা।

(৩) এখন গ্ৰন্থৰ সম্পাদক এজনৰ পাণ্ডুলিপি প্ৰস্তুত কৰণৰ প্ৰসংগত সম্পাদকজনৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে আলোচনা কৰা।

(৪) অসমীয়া ছপাপুথিৰ চমু ইতিহাস দাঙি ধৰা।

(৫) এখন সম্পাদনা কৰিবলৈ লোৱা গ্ৰন্থৰ মূল ভাগ কেইটা কি কি ? প্ৰতিটো অংশৰ বিষয়ে চমুকৈ লিখা।

(৬) গ্ৰন্থ সম্পাদনাৰ ক্ষেত্ৰত সম্পাদক আৰু প্ৰকাশন বিভাগৰ লগত থকা সম্পৰ্ক বিচাৰ কৰি এটি আলোচনা যুগুত কৰা।

**৭/ চমুটোকা লিখা:- ( যিকোনো দুটা )** **৫x২=১০**

(ক) অধিসমীক্ষা (খ) গ্ৰন্থপঞ্জী

(গ) পৰিশিষ্ট (ঘ) আগকথা

******************